**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ অষ্টম বিষয় ঃ ভাষা-১ (অসমীয়া) তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ**
**(গুণোৎসৱৰ - ২০১৭ৰ ফলাফল অনুসৰি)**

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলে এটা শব্দত প্ৰকাশ কৰা শব্দ, বিপৰীত অৰ্থ প্ৰকাশক শব্দ (মূৰ্ত্ত, বিমূৰ্ত্ত, সম্বন্ধ বাচক শব্দ, লিঙ্গবাচক শব্দ) ৰ বিষয়ে কথিত আৰু লিখিত ৰূপত ব্যৱহাৰ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে 'এটা শব্দত প্ৰকাশ কৰা' শব্দৰ বিষয়ে জানিব পাৰিব(নতুন শব্দ জানিব, বাক্য সংকোচনৰ বিষয়ে অৱগত হ'ব)

⇨ তেওঁলোকৰ স্বাৰ্থিক আৰু নিৰ্দিষ্টতা বাচক প্ৰত্যয় সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে বৰ্তমান, অতীত আৰু ভৱিষ্যত কালৰ ক্ৰিয়াপদ উলিয়াই ক'ব আৰু লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ)লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) পৰীক্ষিতৰ ব্ৰহ্মশাপ | - | পাঠ নং ১০ |
| খ) অতীতক নাযাবা পাহৰি | - | পাঠ নং ১১ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

এই সাময়িকীৰ পাঠ দুটাত বিপৰীত অৰ্থ প্ৰকাশ কৰা, অৰ্থৰ পাৰ্থক্য দেখুৱাই বাক্য ৰচনা কৰিব পৰা, যুক্তাক্ষৰৰ জ্ঞান, বিপৰীত লিংগ বুজোৱা শব্দ, বৰ্তমান অতীত আৰু ভৱিষ্যত কালৰ ক্ৰিয়াপদ বাছি উলিওৱা, আৰু স্বাৰ্থিক আৰু নিৰ্দিষ্টতা বাচক প্ৰত্যয়ৰ কথিত আৰু লিখিত ৰূপত ব্যৱহাৰৰ কথা অন্তৰ্ভূক্ত কৰা হৈছে। শৈক্ষিক দিশত মূল্যায়নৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। অষ্টম শ্ৰেণীৰ দ্বিতীয় পৰ্যায়ৰ 'গুণোৎসৱ' আৰু 'নাছ'ৰ মূল্যায়ন তথ্য পৰ্যালোচনা কৰি পোৱা গৈছে যে, ব্যাকৰণৰ ক্ষেত্ৰত দক্ষতা আহৰণত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও দৈনন্দিন জীৱনত ব্যৱহৃত আৰু পাঠত থকা বিভিন্ন ব্যাকৰণৰ বিষয়ে, যেনে — এটা শব্দত প্ৰকাশ কৰা শব্দ, বিপৰীত লিঙ্গ বুজোৱা শব্দ, বিপৰীত অৰ্থ বুজোৱা শব্দ আদিৰ বিষয়ে শিকন ঘাটি আছে। কিন্তু ভাষা শুদ্ধকৈ লিখিবলৈ আৰু জানিবলৈ হ'লে সেইবোৰ বিষয়ৰ জ্ঞান ভালদৰে আয়ত্ত কৰিব পাৰিব লাগিব। সেয়েহে এই ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতা আহৰণৰ ক্ষেত্ৰত শিকনঘাটি সমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীক উক্ত দিশৰ বিকাশত বিশেষ যত্ন লোৱা প্ৰয়োজন। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলনী বা ক্ৰিয়া-কলাপৰ উপৰি আমি

শিক্ষকসকলে নিজে কিছুমান ক্ৰিয়া-কলাপ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। শুদ্ধকৈ ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ আয়ত্ত কৰি ব্যৱহাৰ কৰিব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিক্ষণ-শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰীটো সজোৱা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফল সমূহৰ গুৰুত্ব অপৰিসীম —**

- ⇨ যি কোনো বিষয় এটা সুন্দৰকৈ উপস্থাপন কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে বাক্যৰ গাঁথনি সম্পৰ্কে দক্ষতাৰ প্ৰয়োজন।
- ⇨ ক'ব লগা কথা বা মনৰ ভাব এটা দীঘল বাক্যৰ দ্বাৰা প্ৰকাশ নকৰি, কেনেদৰে কম শব্দেৰে সুন্দৰভাৱে প্ৰকাশ কৰিব পাৰি, সেই সম্পৰ্কে ধাৰণা দিব লাগিব। তেনে কৰিলে শিকাৰুৰ শব্দৰ ভঁৰাল টনকিয়াল হ'ব আৰু কম শব্দত বেছি কথা প্ৰকাশ কৰিব পাৰিব। ব্যৱহৃত ভাষাৰ লালিত্য বৃদ্ধি হ'ব।
- ⇨ স্বাৰ্থিক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয় পঠন আৰু লিখনত ব্যৱহাৰ কৰি নিজৰ প্ৰকাশভংগী অধিক শক্তিশালী কৰাটো অতি প্ৰয়োজনীয়।
- ⇨ বিভিন্ন শব্দৰ বিপৰীত শব্দ, বিপৰীত লিংগ প্ৰকাশক শব্দ, সম্বন্ধবাচক শব্দৰ বিপৰীত শব্দ আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জনাটো অতি প্ৰয়োজনীয়।
- ⇨ কাল অনুযায়ী বাক্যত ক্ৰিয়াপদৰ ৰূপ সঠিক ৰূপত ব্যৱহাৰ কৰিলেহে স্থান কাল পাত্ৰৰ প্ৰকৃত সময় বুজিব পৰা যায় আৰু অৰ্থবোধ সম্পূৰ্ণ হয়।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

এই গোটটো অধ্যয়ন কৰি শিক্ষক হিচাপে আমি শিকাৰুৰ ভাষা সম্পৰ্কীয় দক্ষতা বিকাশৰ বাবে কিছুমান পদক্ষেপ হাতত ল'ব পাৰিম।

- ⇨ শ্ৰেণীকোঠাত সফলভাৱে ব্যাৱহাৰিক ব্যাকৰণ শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয় জানিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ আৰু পাঠ বৰ্হিভূত সমলৰ অনুশীলনৰ যোগেদি আলোচিত বিষয়সমূহৰ ধূসৰতা আঁতৰ কৰিব পাৰিম।
- ⇨ স্ব-মূল্যায়ন আৰু তুলনামূলক অধ্যয়ন কৰিব পাৰিম; লগতে উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ অনুশীলনেৰে শ্ৰেণীকোঠা অধিক গতিশীল আৰু মনোগ্ৰাহী কৰি তুলিব পাৰিম।

**ব্যাৱহাৰিক ব্যাকৰণৰ বিকাশৰ ব্যৱস্থাৱলী ঃ**

অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে এটা শব্দত প্ৰকাশ কৰা শব্দ, কাল অনুযায়ী ক্ৰিয়াৰ ব্যৱহাৰ, বিপৰীত অৰ্থ প্ৰকাশক শব্দ, স্বাৰ্থিক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়সমূহ শব্দ আৰু বাক্যত ব্যৱহাৰ কৰি ভাষাৰ প্ৰকাশভংগী শক্তিশালী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

পাঠত থকা ব্যাৱহাৰিক ব্যাকৰণৰ ধাৰণা স্পষ্ট কৰিবৰ নিমিত্তে শ্ৰেণীকোঠাৰ কথা-বতৰাত ব্যাকৰণৰ উল্লিখিত দিশবোৰ প্ৰয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব লাগিব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন ক'ৰা হ'ল —**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দ আৰু তাৰ অৰ্থ জানিব পাৰিব | ⇨ পাঠ্যপুথি<br>⇨ বিপৰীত শব্দৰ তালিকা<br>⇨ বাতৰি-কাকত, আলোচনী<br>⇨ বোৰ্ড (Black Board)<br>⇨ পেঞ্চিল, চক | দলীয় ক্ৰিয়া-কলাপ | ক) তোমাৰ ঘৰত থকা মানুহবোৰৰ তোমাৰ সৈতে থকা সম্বন্ধবোৰ লিখি তাৰ বিপৰীত লিংগ বুজোৱা শব্দবোৰ লিখা , যেনে, - খুড়া—খুড়ী<br>খ) তোমাৰ ঘৰত থকা জীৱজন্তুৰ এখন তালিকা প্ৰস্তুত কৰি সেই জীৱজন্তুবোৰৰ বি পৰীত লিংগবাচক শব্দ লিখা।<br>গ) তলৰ শব্দবোৰ পুংলিঙ্গৰ পৰা স্ত্ৰীলিংগলৈ পৰিৱৰ্তন কৰিবলৈ কি প্ৰত্যয় যোগ কৰিবা লিখা- ডাক্তৰ, মাষ্টৰ, শিক্ষক, বৰুৱা।<br>ঘ) তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা- ক'লা, অমৃত, পানী, মৃত্যু, সৰব। | অ বি ৰ ত আ ৰু সা ম গ্ৰি ক মূ ল্যা য় ন |
| ২) স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ আৰু অৰ্থ জানিব পাৰিব। | ⇨ স্বাৰ্থিক প্ৰত্যয়যুক্ত শব্দৰ তালিকা<br>⇨ পেঞ্চিল, চক। | দলীয় ক্ৰিয়া-কলাপ | ক) তলত দিয়া স্বাৰ্থিক প্ৰত্যয়বোৰ ব্যৱহাৰ কৰি এটাকৈ বাক্য সাজা —<br>আহিবাহ'ক, যাবা চাগৈ, যাম একা, হ'বলা, যোৱাহে, খাবাদেই।<br>খ) তলৰ শব্দবোৰক কি প্ৰত্যয় বোলা হয়। চোন, হে, ছি, দেই, হ'ক। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এটা শব্দত প্ৰকাশ কৰা, বিপৰীত অৰ্থ প্ৰকাশক শব্দ, কাল অনুযায়ী ক্ৰিয়াপদৰ ৰূপৰ ধাৰণা, স্বাৰ্থিক আৰু নিৰ্দিষ্টতা বাচক প্ৰত্যয় আদিৰ ধাৰণা স্পষ্ট কৰিবলৈ গুৱাহাটীৰ এখন বিদ্যালয়ৰ শিক্ষয়িত্ৰী শ্ৰীমতী গীতাঞ্জলি দেৱী বাইদেৱে কেনেধৰণে শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰিছিল চাওঁ আহক -

**প্ৰস্তুতি ঃ**

⇨ বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দৰ তালিকা।

⇨ বিপৰীত লিংগ বুজোৱা শব্দৰ তালিকা।

⇨ পুৰণি বাতৰি-কাকত, আৰু আলোচনীৰ কাটি লোৱা দফা।

গীতাঞ্জলি দেৱী বাইদেৱে বাতৰি-কাকত আৰু পুৰণি আলোচনীৰ পৰা আগতে কাটি লোৱা দফা কাৰ্ডবোৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবিলাকক পাঁচটা দলত ভাগ কৰি এখনকৈ ভগাই দিলে । কিছুমান শব্দ তলত আগতেই ৰঙা ৰঙেৰে আঁচ টানি থোৱা আছিল। দফাবোৰ পঢ়ি দলত আঁচ টনা শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দ লিখিবলৈ দিলে। গীতাঞ্জলি বাইদেৱে দেখিলে যে প্ৰতিটো দলেই ৫ টাৰ পৰা ১২ টা শব্দৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ ক'বলৈ আৰু লিখিবলৈ পৰা নাই, যেনে - তৃপ্ত, সফল, ভিতৰ, মা, খুড়া, শুনা, সক্ষম, অভ্যাস, দিৱস, স্বৰ্গ, আকাশ, সৰগ আদি। গীতাঞ্জলি বাইদেৱে মন কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকলে সন্মুখত 'অ' লগ লগোৱা চিনাকি ঘৰুৱা শব্দ আৰু বিপৰীত লিংগ বুজোৱা শব্দৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ সহজে ক'ব আৰু লিখিব পাৰিছে। তেওঁলোকে মূল শব্দটোৰ লগত মিল নথকা শব্দৰ প্ৰথম আৰু দ্বিতীয় বৰ্ণ সলনি হোৱা

বিপৰীত অৰ্থ বুজোৱা শব্দবোৰৰ ক্ষেত্ৰত বেছিকৈ ভুল কৰিছে। অৰ্থ নজনা শব্দৰ ক্ষেত্ৰত ১০০ শতাংশই ভুল কৰিছে। গীতাঞ্জলি বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলে ভুল কৰা বা নজনা বিষয়বোৰ কেইটামান শব্দত ব্যৱহাৰ কৰি সহ উদাহৰণ দি ফঁহিয়াই দেখুৱালে আৰু একে ধৰ্মীয় বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰ একে তালিকাভুক্ত কৰি পুনৰ ছাত্ৰ-ছাত্ৰীসকলক কৰিবলৈ উৎসাহিত কৰিলে, যেনে - মৰণ-অমৰণ, কাৰণ-অকাৰণ, তৃপ্ত-অতৃপ্ত, অভ্যাস-অনভ্যাস, অধিকাৰ-অনাধিকাৰ, দিৱস-ৰাতি, সৰগ-নৰক, উৰ্দ্ধাঙ্গ-নিম্নাঙ্গ, বাইদেউ-ভিনদেউ, বোন্দা-জাই।

তাৰ পিছত বাইদেৱে আগতে প্ৰস্তুত কৰি থোৱা বিপৰীত অৰ্থ প্ৰকাশ কৰা আৰু বিপৰীত লিংগ প্ৰকাশক শব্দ থকা তালিকা দুখন সন্মুখত আৰি দিলে আৰু তেওঁলোকে কৰা তালিকাৰ সৈতে মিলাই চাবলৈ দিলে। ভুল কৰা শব্দবোৰ শুধৰাই ল'বলৈ দিলে আৰু নতুনকৈ পোৱা শব্দ আৰু বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰ সম্বন্ধে মনত উদয় হোৱা প্ৰশ্নবোৰ কৰিবলৈ দিলে আৰু বাইদেৱে কঠিন শব্দবোৰৰ অৰ্থৰে সৈতে বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দবোৰৰ গঠন প্ৰণালী ব্যাখ্যা কৰি বুজাই দিলে। শেষত বাউদেৱে ছাত্ৰ-ছাত্ৰীসকলক নতুনকৈ পোৱা বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰৰ সৈতে পাঠত থকা শব্দবোৰ মিলাই চাবলৈ উৎসাহিত কৰিলে।

এইদৰে গীতাঞ্জলি বাইদেৱে ১০ নং আৰু ১১ নং পাঠত থকা আন ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়সমূহো পৰ্যায়ক্ৰমে ওপৰত বিপৰীত শব্দৰ ক্ষেত্ৰত কৰা ধৰণে শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াই নিছিল।

এইদৰে ক্ৰিয়া-কলাপ কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ ধূসৰ ক্ষেত্ৰবোৰ স্পষ্ট হৈছিল আৰু সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে আনন্দদায়ক পৰিৱেশ শ্ৰেণীকোঠাত গঢ়ি উঠিছিল।

***বিঃদ্ৰঃ - গীতাঞ্জলি বাইদেৱে শ্ৰেণীকোঠাত থকা কম দৃষ্টি সম্পন্ন ছাত্ৰীগৰাকীক সন্মুখলৈ মাতি আনি বিশেষভাৱে গুৰুত্ব দিছিল।***

চিন্তা কৰি চাওঁ আহক —

- ⇨ গীতাঞ্জলি বাইদেৱে শ্ৰেণীত কৰা ক্ৰিয়া-কলাপে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ-শিকনত থকা ধূসৰতা আঁতৰ কৰিব পাৰিছেনে?
- ⇨ বাতৰি-কাকত আৰু আলোচনীৰ দফা ব্যৱহাৰ কৰা পদ্ধতি আমিও ব্যৱহাৰ কৰিব পাৰোঁ নেকি?
- ⇨ এই ক্ৰিয়া-কলাপটো পাঠ্যপুথিৰ বিষয়বস্তুৰ লগত বা শিকনৰ ফলাফলৰ সৈতে সম্পূৰ্ণৰূপে সংযুক্ত হ'ব পাৰিছেনে?
- ⇨ ছাত্ৰ-ছাত্ৰীসকলক এই ধৰণৰ ক্ৰিয়া-কলাপেৰে সংশ্লিষ্ট পাঠ দুটাৰ আন অৰ্হতাসমূহ আয়ত্ত কৰোৱাৰ বাবে আমিও নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰোঁনে?

**ক্ৰিয়া-কলাপ ঃ**

১১ নং পাঠ (অতীতক নাযাবা পাহৰি)ত থকা স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ ধাৰণা স্পষ্ট নহয়।

**প্ৰস্তুতি ঃ**

- ⇨ স্বাৰ্থিক প্ৰত্যয়যুক্ত শব্দৰ তালিকা।
- ⇨ পাঠ্য পুথিত থকা স্বাৰ্থিক প্ৰত্যয়যুক্ত শব্দবোৰৰ কাৰ্ড।
- ⇨ পাঠ্যপুথি বহিৰ্ভূত স্বাৰ্থিক প্ৰত্যয়যুক্ত শব্দবোৰৰ কাৰ্ড।

ওপৰত উল্লেখ কৰা ধৰণে স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰৰ সম্পৰ্কে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণা স্পষ্ট কৰাৰ বাবে শিক্ষকে শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ আগতে, স্বাৰ্থিক প্ৰত্যয়ৰ শব্দৰ এখন তালিকা প্ৰস্তুত কৰি লোৱা হ'ল। পাঠ্যপুথিৰ ১১ নং পাঠ (অতীতক নাযাবা পাহৰি)ত থকা আৰু ব্যাৱহাৰিক ব্যাকৰণৰ 'জানো

আহা’ ত দিয়া প্ৰত্যেকটো স্বাৰ্থিক প্ৰত্যয় একোখন কাৰ্ডত লিখি লোৱা হ’ল। তেনেদৰে পাঠ্যপুথিত নথকা শব্দৰো কেইখন মান কাৰ্ড প্ৰস্তুত কৰি লোৱা হ’ল।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীবোৰক ৪ গৰাকীকৈ দলত ভাগ কৰি স্বাৰ্থিক প্ৰত্যয় শব্দৰ কাৰ্ডবোৰ দলত সমানে বিলাই দিয়া হ’ল। তাৰ পাছত ছাত্ৰ-ছাত্ৰীবোৰে প্ৰত্যেক কাৰ্ডত থকা শব্দবোৰ পাঠ্যপুথিৰ ‘অতীতক নাযাবা পাহৰি’ পাঠটোত থকা শব্দবোৰৰ তলত আঁচ দিব আৰু পাঠত নথকা কিন্তু কাৰ্ডত থকা শব্দৰ কাৰ্ডবোৰ আঁতৰাই থ’ব, যেনে, - একা, গৈ, হে, চাগৈ, হ’ক, দে, দেই, হ’বলা আদি। পাঠৰ বাক্যত ব্যৱহাৰ হোৱা শব্দবোৰে কি অৰ্থ প্ৰকাশ কৰিছে দলত আলোচনা কৰি ক’বলৈ দিলে ছাত্ৰ-ছাত্ৰীয়ে আনুমানিক অৰ্থ প্ৰকাশ কৰিব পাৰিব। অৰ্থবোৰ শুদ্ধ নহলে শিক্ষকে শুধৰাই দিব পাৰিব। এইদৰে নতুনকৈ পোৱা স্বাৰ্থিক প্ৰত্যয়বোৰ ক্ৰিয়াপদৰ সৈতে কেনেদৰে ব্যৱহৃত হয় আৰু কি অৰ্থ প্ৰকাশ কৰে জানিব পাৰিব।

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ মূৰ্ত্ত, বিমুৰ্ত্ত, সম্বন্ধবাচক, লিংগবাচক বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰৰ ক্ষেত্ৰত থকা ধূসৰতা স্পষ্ট হৈছে।

⇨ বাতৰি-কাকত, আলোচনী আদিৰ পৰা পাঠ বহিৰ্ভূত নতুন শব্দৰ অৰ্থ বুজি সেই শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰ জনাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বৃদ্ধি হৈছে।

⇨ নতুন নতুন শব্দৰ সৈতে পৰিচিত হৈ, সেই শব্দবোৰ বাৰে বাৰে অনুশীলন কৰি নিজৰ কথা-বতৰাত আৰু লিখনিত ব্যৱহাৰ কৰিবলৈ তেওঁলোক আগ্ৰহী হৈছে।

**দৃঢ়ীকৰণ ঃ**

ক) তলত দিয়া স্বাৰ্থিক প্ৰত্যয়বোৰ ব্যৱহাৰ কৰি এটাকৈ বাক্য সাজা।
আহিবাহ’ক, যাবা চাগৈ, যাম একা, চা গৈ, হ’বলা, যোৱাহে, খাবা দেই।

খ) তলত দিয়া শব্দবোৰ ক্ৰিয়া-পদৰ শেষত লগ লগাই এটাকৈ শব্দ সাঁজি অৰ্থ লিখা।
চোন, হি , হ’ক, চাগৈ।

গ) তোমাৰ ঘৰত থকা জীৱ-জন্তুৰ এখন তালিকা কৰি তাৰ বিপৰীত অৰ্থ প্ৰকাশ কৰা শব্দ লিখা;
যেনে, - বলধ—গাই, বোন্দা—জাই।

ঘ) তোমাৰ ঘৰত থকা মানুহবোৰৰ তোমাৰ সৈতে থকা সম্বন্ধবোৰ লিখি তাৰ বিপৰীত লিংগ বুজোৱা শব্দবোৰ লিখা । যেনে, - খুড়া—খুড়ী

ঙ) তলৰ শব্দবোৰ পুংলিঙ্গৰ পৰা স্ত্ৰীলিংগলৈ পৰিৱৰ্তন কৰিবলৈ কি প্ৰত্যয় যোগ কৰিবা লিখা।
ডাক্তৰ, মাষ্টৰ, শিক্ষক, বৰুৱা।

চ) তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা।
ক’লা, অমৃত, পানী, মৃত্যু, সৰব।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

ক) তলৰ শব্দবোৰ পুংলিংগৰ পৰা স্ত্ৰীলিংগলৈ পৰিৱৰ্তন কৰিবলৈ কি প্ৰত্যয় যোগ কৰিবা ?
ডাক্তৰ, মাষ্টৰ, পণ্ডিত আদি।

খ) তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।
ক’লা, অমৃত, পানী, মৃত্যু, সৰব।

গ) তলৰ শব্দবোৰক কি প্ৰত্যয় বোলা হয়?

চোন, হে, হি, দেই, হ'ক।

ঘ) তলত দিয়া শব্দবোৰ ব্যৱহাৰ কৰি এটাকৈ বাক্য সাজা।

আহিবা হ'ক, যাবা চাগৈ, যাম একা, হ'বলা, যোৱাহে, খাবাদেই।

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ (অষ্টম মান)।

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ - ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি - হলিৰাম দাস।

⇨ হেমকোষ, চন্দ্ৰকান্ত অভিধান।

⇨ অসমীয়া ব্যাকৰণ জ্যোতি - ভগবান মৰল।

***